**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 0900 Hrs

*Assamese Morning Bulletin*

**HEADLINES**

১। দেশৰ ৪৯ টা লোকসভা সমষ্টিৰ বাবে অনুষ্ঠিত পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণত ৬০ শতাংশতকৈ অধিক লোকৰ ভোটদান।

২। বিজেপি পুনৰ ক্ষমতালৈ আহিলে দেশত উমৈহতীয়া দেৱানী বিধি প্ৰযোজ্য কৰা হ'ব বুলি নৰেন্দ্ৰ মোদীৰ ঘোষণা। আজি বাৰাণসীত ২৫ হাজাৰৰো অধিক মহিলাৰে প্ৰধানমন্ত্ৰীৰ মত বিনিময়।

৩। ইৰাণৰ ৰাষ্ট্ৰপতি আৰু বিদেশ মন্ত্ৰীৰ মৃত্যুৰ বাবে ভাৰতত আজি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন। অসম চৰকাৰৰো ৰাজ্যিক শোক ঘোষণা।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া প্ৰথমখন কোৱালিফায়াৰ খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিশা চাৰে ১১ বজা পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি এই পৰ্যায়ত সামগ্ৰিকভাৱে ৬০ দশমিক ০ - ৯ শতাংশ ভোটদান হৈছে। কালি দেশৰ ৬ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হয়। পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, ওড়িশা আৰু বিহাৰৰ ৫টাকৈ, ঝাৰখণ্ডৰ তিনিটা আৰু জম্মু-কাশ্মীৰ তথা লাডাখৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হয়। এই পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

জম্মু-কাশ্মীৰৰ বাৰামুল্লাত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয় আৰু যোৱা ৩৫ বছৰৰ ভিতৰত সৰ্বাধিক ৫৬ দশমিক ৭ - ৩ শতাংশ ভোটদানৰ বাতৰি পোৱা গৈছে। ইপিনে, বিহাৰত ৫৪ দশমিক ৮- ৫ শতাংশ, ঝাৰখণ্ডত ৬৩ দশমিক ০ - ৭ শতাংশ, লাডাখত ৬৯ দশমিক ৬ - ২ শতাংশ, মহাৰাষ্ট্ৰত ৫৪ দশমিক ২ - ৯ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৭ - ৯ শতাংশ আৰু পশ্চিমবংগত ৭৪ দশমিক ৬ - ৫ শতাংশ হাৰত ভোটদান হয়। পঞ্চম পৰ্যায়ক সামৰি এতিয়ালৈকে দেশৰ ২৫খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪২৮টা সংসদীয় সমষ্টিত সাধাৰণ নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবাদ মাধ্যম পি টি আইক দিয়া এটা সাক্ষাৎকাৰত কৈছে যে, বিজেপিৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন হ'লে দেশত উমৈহতীয়া দেৱানী বিধি প্ৰযোজ্য কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, দেশত এক দেশ, এক নিৰ্বাচন নীতিও প্ৰৱৰ্তন কৰা হ'ব। নতুন চৰকাৰত যুৱ সমাজৰ আশা-আকাংক্ষাক গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, দেশৰ পৰা যুৱ সমাজে কি আশা কৰে সেই বিষয়ত জানিবৰ বাবে চৰকাৰৰ প্ৰথম ১০০ দিনৰ কৰ্ম আঁচনিত অতিৰিক্ত ২৫ দিন যোগ দিয়া হ'ব। যুৱ সমাজে ভাৰতক উন্নত দেশ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত কেনে ধৰণৰ পৰামৰ্শ দিয়ে সেই বিষয়ে তেওঁ জানিব খোজে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে প্ৰকাশ কৰে যে, বিজেপিয়ে সদায় নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰি আহিছে। শেহতীয়াকৈ ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া সন্দৰ্ভত পাকিস্তানে দিয়া মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে, পাকিস্তানী নেতাসকলে কংগ্ৰেছক সমৰ্থন তথা প্ৰশংসা কৰি ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত হস্তক্ষেপ কৰাৰ চেষ্টা কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰাণসীত ২৫ হাজাৰৰো অধিক মহিলাৰ সৈতে মত বিনিময় কৰিব। সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়ত আয়োজিত মাতৃশক্তি সন্মিলনত শ্ৰীমোদীয়ে মহিলা চিকিৎসক, শিক্ষক, ব্যৱসায়ী, আইনবিদ আৰু খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰিব। এঘণ্টাজোৰা এই সন্মিলনত পৰিচালনাকে ধৰি অন্যান্য সকলো কামকাজত মহিলাসকলে মূল ভূমিকা পালন কৰিব। আজি নিশাটো তেওঁ বাৰাণসীত কটাই কাইলৈ উত্তৰ প্ৰদেশত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে এইবাৰ তৃতীয়বাৰৰ বাবে বাৰাণসীৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বাৰাণসীত এইবাৰ কংগ্ৰেছ-সমাজবাদী মিত্ৰজোঁটৰ প্ৰাৰ্থী অজয় ৰায়ে শ্ৰীমোদীৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। অহা পহিলা জুনত সমষ্টিটোত ভোটগ্ৰহণ কৰা হ'ব।

ooooooooo

প্ৰথমবাৰৰ বাবে দেশৰ বেংকিং খণ্ডৰ লাভে তিনি লাখ কোটি টকা অতিক্ৰম কৰিছে। শেহতীয়া এখন প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত চৰকাৰী আৰু বে-চৰকাৰী বেংকসমূহৰ সামগ্ৰিক লাভ ৩ দশমিক এক লাখ কোটি টকা হৈছে। দেশৰ চৰকাৰী ১২টা বেংকে ২০১৮ বিত্তীয় বৰ্ষত ৮৫ হাজাৰ ৩৯০ কোটি টকাৰ লোকচানৰ সন্মুখীন হৈছিল যদিও ২০২৩-২৪ বিত্তীয় বৰ্ষত অভিলেখ পৰিমাণৰ এক দশমিক ৪ লাখ কোটি টকা লাভ অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। চৰকাৰী বেংক সমূহৰ এই লাভৰ পৰিমাণ পূৰ্বৰ তুলনাত ৩৪ শতাংশ বেছি। আনহাতে এই সময়ছোৱাত বে-চৰকাৰী ২৬টা বেংকে পূৰ্বৰ তুলনাত ৪২ শতাংশ, অৰ্থাৎ প্ৰায় এক দশমিক ৭ লাখ কোটি টকা লাভ অৰ্জন কৰিছে। তথ্য অনুসৰি বিগত তিনি বছৰত চৰকাৰী বেংকসমূহৰ মুঠ লাভ চাৰিগুণৰো বেছি হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় বেংকৰ এই উত্তৰণত আদৰণি জনাই কৈছে যে, বিগত ১০ বছৰত বেংকিং খণ্ডত হোৱা অভূতপূৰ্ব পৰিৱৰ্তনৰ ফলতে এই সাফল্য লাভ কৰিব পৰা হৈছে। বেংকসমূহৰ সামগ্ৰিক পৰিৱেশ উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত এতিয়া দৰিদ্ৰ লোক, কৃষক আৰু সৰু সৰু ব্যৱসায়ীয়ে ঋণ পোৱাৰ বাট সুচল হৈ উঠিছে বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

ooooooooo

অসম লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক (মূল) পৰীক্ষাৰ সূচী ঘোষণা কৰিছে। সেই অনুসৰি অহা ২৬, ২৭ আৰু ২৮ জুলাইত পৰীক্ষা অনুষ্ঠিত হ'ব। আয়োগে প্ৰকাশ কৰা সূচী অনুসৰি ২৬ জুলাইৰ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ প্ৰথম প্ৰশ্নকাকত ৰচনাৰ পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদিনাই বিয়লি দেৰ বজাৰপৰা চাৰে ৪ বজালৈ সাধাৰণ অধ্যয়নৰ প্ৰথম প্ৰশ্ন কাকতৰ পৰীক্ষা অনুষ্ঠিত হ'ব। ঠিক একেদৰে ২৭ আৰু ২৮ তাৰিখেও একেই সময়তে পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। জাননীত উল্লেখ কৰা অনুসৰি ৰোল নম্বৰ আৰু ই-নামভৰ্তিৰ প্ৰমাণপত্ৰসহ প্ৰাৰ্থীৰ তালিকাসমূহ অহা ৩ আৰু ৫ জুলাইত আয়োগৰ ৱেবছাইটত আপলোড কৰা হ'ব। উল্লেখ্য যে ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ বাবে দুহেজাৰ ৮৯৮ গৰাকী পৰীক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। প্ৰথমবাৰৰ বাবে মৰাণ-মটকৰ বাবে সংৰক্ষণ কৰা পদৰ বিপৰীতেও পৰীক্ষাৰ্থীয়ে মূল পৰীক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়া মাধ্যমতো দিয়াৰ ব্যৱস্থা কৰা হৈছে। পৰীক্ষাৰ্থীসকলে অসমীয়া মাধ্যমতো উত্তৰসমূহ লিখিব পাৰিব।

oooooooo

বতৰ

oooooooo

আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস। এই দিৱস উপলক্ষে অসমৰ বিভিন্ন স্থানটো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ২০০ বছৰীয়া অসমৰ চাহ শিল্পই ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰাৰ লগতে বহু লোকক সংস্থাপিত কৰি আহিছে। অসমৰ বহু সংখ্যক খেতিয়ক চাহ উদ্যোগৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে।

oooooooo

ইৰাণৰ ৰাষ্ট্ৰপতি ড° চয়িদ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমীৰ আব্দুল্লাহিয়ানৰ মৃত্যুৰ বাবে ভাৰতে আজি এদিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰিছে। সেই অনুসৰি সমগ্ৰ দেশতে নিয়মীয়াকৈ ৰাষ্ট্ৰীয় পতাকা উৰি থকা ভৱনসমূহত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হৈছে। লগতে আজিৰ দিনটোত কোনোধৰণৰ আনুষ্ঠানিক মনোৰঞ্জনমূলক কাৰ্যসূচী পালন কৰা নহ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। একেদৰে অসম চৰকাৰেও আজিৰ দিনটোত ৰাজ্যিক শোক ঘোষণা কৰিছে। ৰাজ্যখনৰ নিয়মীয়াকৈ ৰাষ্ট্ৰীয় পতাকা উৰি থকা ভৱনসমূহত আজি পতাকা অৰ্ধনমিত কৰি ৰখা হৈছে। তদুপৰি আজিৰ দিনটোত কোনোধৰণৰ মনোৰঞ্জনমূলক অনুষ্ঠান অনুষ্ঠিত নকৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই টিকটবিহীন যাত্ৰীৰ বিৰুদ্ধে নিয়মীয়াকৈ অভিযান চলাই বিশেষ সফলতা অৰ্জন কৰিছে। চলিত বিত্তীয় বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ১৯ মে'লৈকে এনে অভিযানত ১০ কোটি ৬৫ লাখ টকা সংগ্ৰহ কৰা হৈছে। যোৱা বছৰৰ এপ্ৰিলৰ পৰা এইবছৰৰ মাৰ্চলৈ চলোৱা অভিযানত টিকট অবিহনে যাত্ৰা কৰা ৭ লাখ ৯৩ হাজাৰ ১৭০ গৰাকী লোকক চিনাক্ত কৰা হয় আৰু তেওঁলোকৰ পৰা জৰিমণা হিচাপে ৬৬ কোটি ২৭ লাখ টকা আদায় কৰা হৈছে। ২০২২-২৩ বৰ্ষত উত্তৰ-পূব সীমান্ত ৰে'লৱেই টিকট অবিহনে যাত্ৰা কৰা ৭ লাখ ৭৮ হাজাৰ ৮০৮ গৰাকী লোকক চিনাক্ত কৰি তেওঁলোকৰ পৰা ৬২ কোটি ৯৮ লাখ টকা জৰিমণা আদায় কৰিছে।

০০০০০০০০

ৰে'ল আৰক্ষীয়ে কালি গুৱাহাটী ৰে'ল ষ্টেচনৰ ৪ নম্বৰ প্লেটফৰ্মত অভিযান চলাই মাদক দ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে লোকজনৰ পৰা ৪৮ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰিবলৈ সমৰ্থ হয়। আন এটা অভিযানত ৰে'ল আৰক্ষীয়ে গুৱাহাটী ৰে'ল ষ্টেচনত এজন কিশোৰৰ পৰা ৬ কিলোগ্ৰাম ভাং জব্দ কৰে। গুৱাহাটীৰ পৰা বেংগালুৰু অভিমুখী ৰে'লত উঠিবলৈ লোৱাৰ সময়তে কিশোৰজনৰ পৰা ভাংখিনি জব্দ কৰা হয়।

০০০০০০০০

আজি আলোচনা আৰু বিকাশৰ বাবে সাংস্কৃতিক বৈচিত্ৰ্য শীৰ্ষক বিশ্ব দিৱস। বিশ্বৰ বিভিন্ন প্ৰান্তত শান্তি আৰু সংহত বিকাশ সম্ভৱ কৰি তোলাত আন্তঃসাংস্কৃতিক আলোচনাৰ গুৰুত্বপূৰ্ণ ভূমিকাক তুলি ধৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰি অহা হৈছে। দেখা গৈছে যে, বিশ্বৰ সাম্প্ৰতিক ৯০ শতাংশ সংঘাতেই আন্তঃসাংস্কৃতিক আলোচনাৰ অভাবৰ বাবে সৃষ্টি হৈছে। এই ক্ষেত্ৰত শান্তি প্ৰতিষ্ঠা আৰু ফলদায়ক সহযোগিতাৰ বাবে আন্তঃসাংস্কৃতিক আলোচনাক শক্তিশালী কৰি তোলাত প্ৰাথমিক গুৰুত্ব দিয়াৰ প্ৰয়োজন হৈছে। ইউনেস্কোৰ মতে সংস্কৃতি আৰু সৃষ্টিশীল খণ্ড হৈছে বিশ্বজোৰা বিকাশৰ আটাইতকৈ শক্তিশালী উপাদান। কিন্তু ৰাজহুৱা নীতি আৰু আন্তৰ্জাতিক সহযোগিতাৰ ক্ষেত্ৰখনত এই সাংস্কৃতিক আৰু সৃষ্টিশীল খণ্ডই প্ৰয়োজনীয় গুৰুত্ব পোৱাৰ পৰা বঞ্চিত হৈ আছে। সেয়ে ২০০১ চনৰ পৰা ইউনেস্কোই এই দিৱস পালনৰ ব্যৱস্থা কৰে আৰু তাৰ পৰৱৰ্তী বছৰত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ২১ মে'ক বিশ্ব সাংস্কৃতিক বিচিত্ৰতা দিৱস হিচাপে স্বীকৃতি দিয়ে।

০০০০০০০০

নিখিল বড়ো ছাত্ৰ সন্থাই বিটিআৰৰ বাহিৰৰ ১০ খন জিলাত বড়ো ভাষাৰ শিক্ষণ কেন্দ্ৰ স্থাপন কৰি ২৯ গৰাকী শিক্ষকক নিয়োগ কৰিছে। কালি তামুলপুৰ জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ কাৰ্যালয়ত শিক্ষক শিক্ষয়িত্ৰীসকলক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত সন্থাৰ সভাপতি দীপেন বড়োৰ উপৰি অন্যান্য নেতাসকল উপস্থিত থাকে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন কোৱালিফায়াৰ খেলত ছান ৰাইজাৰ্চ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্চৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰ খেল কাইলৈ একেখন ষ্টেডিয়ামতে ৰাজস্থান ৰয়েলছ্‌ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত অনুষ্ঠিত হ'ব। দেওবাৰে প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

আৰ্চাৰী

০০০০০০০

ভাৰতৰ দিপ্তী জীৱনজীয়ে জাপানৰ ক'বেত অনুষ্ঠিত চলিত বৰ্ষৰ পেৰা এথলেটিকছ্‌ বিশ্ব চেম্পিয়নশ্বিপৰ মহিলাৰ ৪০০ মিটাৰ দৌৰৰ T20 শাখাত সোণৰ পদক অৰ্জন কৰাৰ লগতে বিশ্ব অভিলেখ গঢ়িছে। দিপ্তীয়ে ৫৫ দশমিক ০-৭ ছেকেণ্ডেৰে আমেৰিকাৰ ব্ৰিয়ানা ক্লাৰ্কৰ পূৰ্বৰ ৫৫ দশমিক ১-২ ছেকেণ্ডৰ বিশ্ব অভিলেখ ভংগ কৰে। একেটা শিতানত তুৰস্কৰ আইজেল অণ্ডাৰে ৰূপৰ আৰু ইকুৱেড'ৰৰ লিজানচেলা আংগুল'য়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

আনহাতে ভাৰতৰ য়োগেশ কাথুনিয়াই পুৰুষৰ ডিস্কাছ থ্ৰ'ৰ F56 শাখাৰ ফাইনেলত ৰূপৰ পদক অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে  ৪১ দশমিক ৮-০ মিটাৰেৰে এই কৃতিত্ব অৰ্জন কৰে। প্ৰতিযোগিতাত এই পৰ্যন্ত ভাৰতীয় খেলুৱৈসকলে এটা সোণৰ, এটা ৰূপৰ আৰু দুটা ব্ৰঞ্জৰ পদকসহ মুঠ ৪টা পদক অৰ্জন কৰিছে। চলিত বৰ্ষত পেৰিছত হ'বলগীয়া পেৰা অলিম্পিক গেমছৰ যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতা হিচাপে এই প্ৰতিযোগিতাৰ গুৰুত্ব বৃদ্ধি পাইছে।

০০০০০০০

ইৰাণৰ ৰাষ্ট্ৰপতি ড° চয়িদ ইব্ৰাহিম ৰাইছি আৰু বিদেশ মন্ত্ৰী হুছেইন আমীৰ আব্দুল্লাহিয়ানৰ কালি হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত হোৱাৰ বাতৰিটো **আমাৰ অসম, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত, অসমীয়া খবৰকে** আদিকে ধৰি কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক জনমভূমিৰ শিৰোনাম **ৰাষ্ট্ৰপতি ৰাইচি, বিদেশ মন্ত্ৰীসহ ৯ জন নিহত**।

কালি লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈ যোৱা বাতৰিটো **The Assam Tribune** , **নিয়মীয়া বাৰ্তা**, আমাৰ অসম কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। **The Assam Tribune**ত এই বাতৰিৰ শিৰোনাম **Over 59 per cent voter turnout in fifth phase of Lok Sabha polls**।

২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতীয় বেংক সমূহৰ সামগ্ৰীক লাভ পূৰ্বৰ তুলনাত ৩৯ শতাংশ বৃদ্ধি হৈ ৩ দশমিক এক লাখ কোটি টকা হোৱাৰ বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নাগৰিকত্ব সংশোধনী আইন চমুকৈ কা বলবৎ কৰাৰ বাবে বিধি অনুসৰি অসমতো ৰাজ্যিক পৰ্যায়ৰ উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰা বাতৰিটো **দৈনিক অসম** কাকতে **উচ্চ ক্ষমতাসম্পন্ন ৰাজ্যিক কমিটি গঠন, চলিত মাহৰ ভিতৰতে গঠন হ'ব জিলা সমিতি ঃ ৰাজ্যত কা বলৱতৰ তৎপৰতা** শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

সমগ্ৰ শিক্ষা অসমে ৰাজ্যৰ সকলো চৰকাৰী আৰু প্ৰাদেশীক স্কুলত তিনি মাহৰ মূৰে মূৰে বিদ্যালয় পৰিচালনা কমিটিৰ মিটিং অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়া বাতৰিটো **দ্যা ছেণ্টিনেল** কাকতে **School directed to conduct quarterly management committee meetings** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ইণ্ডোৰ আই আই টিৰ তপাৰ হ'ল অসম কন্যা কৃশাংগী, প্ৰথম অসমীয়া বৈমানিক ধীৰা হাজৰিকাক **বীৰাংগনা মূলাগাভৰু** বঁটা প্ৰদান, ছিমলা-আগ্ৰাসহ সমগ্ৰ উত্তৰ ভাৰতত উৰ্ধমুখী পাৰাস্তম্ভ, কোভাক্সিনৰ পাৰ্শ্বক্ৰিয়া– বি এইচ ইউৰ গৱেষণা অস্বীকাৰ আই চি এম আৰৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**